Paper – 201 (M)
Unit – II (2.5 - Operant Conditioning) 

Operant Conditioning Theory (কাৰ্যাত্মক অনুবন্ধনবাদ বা ফলোৎপাদনমূলক অনুবন্ধন তত্ত্ব):

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত আচৰণবাদী মনোবিজ্ঞানী B. Fredrick Skinner (B. F. Skinner)এ শিকণৰ ক্ষেত্ৰত এক নতুন তত্ত্ব দাঙি ধৰে যাক কাৰ্যাত্মক অনুবন্ধনবাদ বোলা হয়। আচৰণবাদ সম্বন্ধীয় কেইবাখনো মূল্যবান গ্ৰন্থ তেওঁ প্ৰকাশ কৰে। সেইবোৰৰ ভিতৰত 1938-ত 'The Behaviour of Organism', 1953-ত 'Science and Behaviour', 1971-ত 'About Behaviour' ইত্যাদি।

Skinner-এ SR theory-ক বিৰোধিতা কৰি কয় যে বাস্তৱ জীৱনত মানুহে পৰিৱেশৰ পাৰিবেশিক কাৰক বা উদ্দীপকৰ সদায় অপেক্ষা কৰি নাথাকে (We cannot always wait for things to happen in the environment) মানেই পৰিৱেশৰ দাস নহয়। মানুহে প্ৰায় পৰিৱেশক নিজ প্ৰয়োজনানুসাৰে পৰিচালনা কৰে। সেয়েহে মানুহে প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰিবৰ বাবে সদায় পৰিচিত উদ্দীপকৰ অপেক্ষাত থাকিব নালাগে। জীৱই নিজ ইচ্ছানুসাৰে আচৰণ কৰে। বিভিন্ন জীৱই নিজ ইচ্ছানুযায়ী বিভিন্ন ধৰণৰ আচৰণ কৰে পৰিৱেশত। আৰু জীৱই কৰা আচৰণসমূহৰ ফল পৰিৱেশৰ পৰা প্ৰতিক্ৰিয়া স্বৰূপে লাভ হয়। পৰিৱেশত লাভ কৰা এই ফল কেতিয়াবা সন্তোষৰ্জনক আৰু কেতিয়াবা শাস্তিমূলক হব পাৰে জীৱৰ বাবে আৰু এই ফলাফলে কোনবিলাক কাৰ্য জীৱই পুনৰাবৃত্তি কৰিব বা ত্যাগ কৰিব সেইয়া নিৰ্ভৰ কৰিব জীৱই পৰিৱেশৰ পৰা লাভ কৰা পাৰিবেশীয় ফলৰ অভিজ্ঞতাৰ ওপৰত, জীৱই কৰা কাৰ্যৰ এনে ~~ফলে~~ ফলাফলে জীৱৰ আচৰণ

নিয়ন্ত্ৰিত হয়। গতিকে এনেধৰণেৰে সংগঠিত আচৰণৰ শিকণক কাৰ্যাত্মক অনুবন্ধন পদ্ধতিৰ শিকণ বোলা হয়।

অৰ্থাৎ জীৱই উদ্দীপকৰ দ্বাৰা প্ৰভাৱিত হৈ প্ৰতিক্ৰিয়া কৰাৰ পৰিবৰ্তে নিজৰ কাৰ্যৰ ফলাফলৰ দ্বাৰাহে প্ৰভাৱিত হয় আৰু সুখদায়ক বা প্ৰেৰণাদায়ক ফলাফল পৰৱৰ্তী কাৰ্য সম্পাদনৰ বাবে উদ্দীপনা হৈ পাৰে। যিবোৰ আচৰণে ব্যক্তিক লক্ষ্যত উপনীত হোৱাত সহায় কৰে, লক্ষ্যত উপনীত হোৱাৰ লগে লগে তেনে আচৰণৰ যিকোনো কামৰ বাবে প্ৰেৰণাদায়ক হয়। সেয়ে ইয়াক S-R (উদ্দীপক→প্ৰতিক্ৰিয়া)ৰ পৰিবৰ্তে R→S (প্ৰতিক্ৰিয়া→ উদ্দীপক) তত্ত্ব বুলি কোৱা হয়।

Skinner-ৰ মতে যিবোৰ কাৰক শিক্ষাৰ্থীক অধিক কাৰ্যক্ষম কৰি তোলে সেইবোৰৰ শক্তিবৰ্দ্ধক উপাদানবোৰক ইতিবাচক (Positive) ~~উপাদান~~ উপাদান বোলা হয়। অৰ্থাৎ যিবোৰ আচৰণে ব্যক্তিক বাঞ্ছিত পথত আগুৱাই নিব পাৰে আৰু যিবোৰ আচৰণৰ বাবে পুৰস্কাৰ পোৱা যায় তেনে উপাদানক ইতিবাচক আৰু যিবোৰ আচৰণৰ পৰা পুৰস্কাৰৰ পৰিবৰ্তে শাস্তিহে পোৱা যায় সেইবোৰক নেতিবাচক পুনঃপ্ৰবলীকৰণ বোলা হয়।

## Implications / Usability of Skinner's Operant Conditioning in Education (শিক্ষাত Skinner-ৰ কাৰ্যাত্মক অনুবন্ধনৰ ব্যৱহাৰ / প্ৰায়োগিকতা):

1) মানুহৰ আচৰণ বা প্ৰতিক্ৰিয়া সাধাৰণতে তাৰ পৰা লাভ কৰা ফলাফলৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে ব্যক্তি-কোনো এক আচৰণৰ শিক্ষা প্ৰদান কৰোতে এনে কিছুমান ইতিবাচক পুনঃপ্ৰবলীকৰণ উদ্দীপকক সংলগ্ন কৰি দিব লাগে যাৰ ফলস্বৰূপে তেনে আচৰণ লাভ কৰাৰ ক্ষেত্ৰত উৎসাহিত হব পাৰে। অৰ্থাৎ শিক্ষাৰ্থীয়ে বাঞ্ছিত

আচৰণ কৰোতে যদি পুৰস্কাৰ বা প্ৰশংসা প্ৰদান কৰা হয় তেন্তে এনে আচৰণৰ পুনৰাবৃত্তি কৰি বাঞ্চিত আচৰণ প্ৰাপ্ত কৰিবলৈ সক্ষম হ'ব।

সেয়েহে, শিক্ষণ বা প্ৰশিক্ষণৰ পৰিৱেশ এনেধৰণেৰে পৰিকল্পিত কৰিব লাগিব যাতে যিকোনো পৰিৱেশত হতাশাৰ পৰিমাণ কমি অধিক সন্তোষ্টি লাভ কৰিবলৈ সক্ষম হ'ব।

2) শিক্ষাৰ্থীৰ আচৰণ সংশোধনত এই তত্ত্বৰ সফল প্ৰয়োগ আছে। শিক্ষাৰ্থীৰ যি আচৰণ সংশোধন কৰিব বিচৰা হয় তেনে আচৰণ সংশোধিত ৰূপত দেখুওৱাৰ লগে লগে পুৰস্কাৰ/প্ৰশংসা প্ৰদান কৰি, এনে কাৰ্য্যৰ পুনৰাবৃত্তি ঘটি থাকিলে অৱশেষত স্থায়ীভাৱে এনে সংশোধিত আচৰণ লাভ কৰিবলৈ সক্ষম হ'ব।

3) শিক্ষাৰ্থীসকলে শুদ্ধভাৱে শিকণ লাভ কৰিবলৈ সক্ষম হওঁতে অথবা শুদ্ধ প্ৰত্যুত্তৰ দিওঁতে তেওঁলোকক মৌখিকভাৱে প্ৰশংসা কৰা, আনন্দদায়ক মুখাবয়ৱ সৃষ্টি কৰা, উচ্চ প্ৰাপ্তাংক প্ৰদান কৰা, সন্তোষজনক গ্ৰেড, প্ৰাইজ আদি প্ৰদানে শিক্ষাৰ্থীক অভিপ্ৰেৰকৰ কাম কৰিব। ফলস্বৰূপে শিক্ষক অথবা প্ৰশিক্ষকৰ পৰা লাভ কৰা এনে সন্তোষজনক প্ৰতিক্ৰিয়াই শিক্ষাৰ্থীসকলক শুদ্ধ প্ৰতিক্ৰিয়া প্ৰদানৰ বাবে সাজু কৰি তুলিব।

4) ব্যক্তিৰ আচৰণৰ পুনঃপ্ৰবলীকৰণৰ বাবে ব্যক্তিবৰ্গৰ উপাদানবোৰক সুসংগঠিত প্ৰক্ৰিয়াৰে সজাই তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

5) এই তত্ত্বই অবাঞ্ছিত আচৰণ পৰিহাৰ কৰি বাঞ্ছিত আচৰণ গঠনৰ ক্ষেত্ৰতো ইতিবাচক পুনঃপ্ৰবলীকৰণ নীতি গ্ৰহণৰ ওপৰত গুৰুত্ব দিয়ে। শাস্তি প্ৰদানে দীৰ্ঘদিনৰ বাবে অবাঞ্ছিত আচৰণ ত্যাগ কৰাত সহায় নকৰে বৰঞ্চ ই শাস্তি প্ৰদান বন্ধ কৰাৰ লগে লগে আগৰ অবাঞ্ছিত আচৰণলৈ ঘূৰি যাব। কাৰ্যাত্মক অনুবন্ধনে পৰীক্ষামূলক-ভাৱে এনে পৰামৰ্শ আগবঢ়ায় যে অবাঞ্ছিত আচৰণৰ-ঠাইত বাঞ্ছিত আচৰণ গঠনৰ বাবে পুৰস্কাৰ প্ৰদানৰ ব্যৱস্থা কৰি ক্ৰমান্বয়ে অবাঞ্ছিত আচৰণৰ হাৰ হ্ৰাস কৰা।

6) এই তত্ত্বই শিক্ষাজগতলৈ নানা Teaching machines আৰু পৰিকল্পিত শিক্ষণ পদ্ধতি আগবঢ়াইছে, শিকনৰ ফলপ্ৰসূতা সম্পৰ্কে এনেধৰণেৰে উল্লেখ কৰিছে —

i) শিকনীয় বিষয়সমূহ এনেধৰণেৰে পৰিকল্পনা কৰিব লাগে যাতে শিক্ষাৰ্থীৰ অকৃতকাৰ্য্য হোৱাৰ সম্ভাৱনা কমি কৃতকাৰ্য্য হোৱাৰ সম্ভাৱনা অধিক হয়।

ii) শিক্ষাৰ্থীৰ শিকনৰ শুদ্ধতাৰ বাবে ধনাই প্ৰতিপুষ্টি প্ৰদানৰ ব্যৱস্থা কৰা।

iii) শিক্ষাৰ্থীসকলক নিজস্ব গতিত শিকাৰ সুবিধা প্ৰদান কৰা। (নিজস্ব গতিত → নিজৰ সামৰ্থানুসাৰে)

[N.B. → Skinnerৰ experiment Page 128, 129 ত বেদকুমাৰ চলিহাৰ কিতাপখনত দিয়া আছে। পঢ়ি লবা অধিক স্পষ্টভাৱে বুজি পোৱাত সহায়ক হব ]